**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

১। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত অসমত ১৬ হাজাৰ ৮০০টা গৃহৰ অনুমোদন লাভ।

২। গুৱাহাটীত অহা মাহত হ'বলগীয়া ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংগ্ৰহণৰ বাবে ভাৰতলৈ আহিব জাপানৰ প্ৰধানমন্ত্ৰী

৩। ৭৭ সংখ্যক বিশ্ব চাইকেল দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত আজি গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া চৌহদত বিশেষ কাৰ্যসূচী সম্পন্ন।

*আৰু*

৫। নিউ চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৬৮ ৰানৰ পৰা আজি পুনৰ খেল আৰম্ভ।

০০০০০০

ৰাজ্য চৰকাৰে শেহতীয়াকৈ কেন্দ্ৰৰ পৰা **প্ৰধানমন্ত্ৰী আবাস যোজনা**ৰ অধীনত ১৬ হাজাৰ ৮১০টা ঘৰৰ অনুমোদন লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই তথ্য প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় পৰ্যায়'ৰ অধীনত অসমে ২২০ কোটি ১২ লাখ টকাৰ আৱণ্টন লাভ কৰাৰ লগতে ১৬ হাজাৰ ৮১০ টা ঘৰৰ অনুমোদন লাভ কৰিছে। আনহাতে ২৭ হাজাৰ ৫৪৪টা গৃহ অনুমোদন পৰ্যায়ত আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাই কয়, যে এই গৃহ নিৰ্মাণ আঁচনিখনে ৰাজ্যখনত গৃহহীন হিতাধিকাৰীসকলক উপকৃত কৰিব। বিগত বৰ্ষত ৰাজ্যত তিনি লাখ ২৫ হাজাৰ ২৩৪টা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ হিতাধিকাৰীক প্ৰদান কৰা হৈছে। কেন্দ্ৰই ২০২২ চনত অসমৰ বাবে পাঁচ লাখ গৃহৰ অনুমোদন জনাইছিল। সেই লক্ষ্য পূৰণ কৰাৰ পিছত চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় পৰ্যায়'ৰ অধীনত ১৬ হাজাৰ ৮১০ টা গৃহৰ অনুমোদন জনায়।

০০০০০০

জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি জুলাইৰ মাজভাগত প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণলৈ আহিব। তেওঁ গুৱাহাটীত প্ৰথমবাৰৰ বাবে হ'বলগীয়া ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। দুয়ো দেশৰ এই সন্মিলনক লৈ

ইতিমধ্যে দিল্লীৰ লগতে দিছপুৰতো বিশেষ তৎপৰতা আৰম্ভ হৈছে। কেন্দ্ৰৰ পৰা এই সন্দৰ্ভত অনুমোদন লাভ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বৰ মিত্ৰজোঁট চৰকাৰে ভাৰত-জাপান আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী সন্মিলনখন সুচাৰুৰূপে আয়োজন কৰাৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা যুগুত কৰাৰ কাম আৰম্ভ কৰিছে। এই লৈ কালি লোকসেৱা ভৱনত মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অসম মন্ত্ৰী পৰিষদৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সুৰক্ষা আদি কেইবাটাও বিষয়ত ভাৰত আৰু জাপানৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

৭৭ সংখ্যক বিশ্ব চাইকেল দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত আজি গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া চৌহদত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ফিট ইণ্ডিয়া মুভমেণ্টৰ অধীনত আয়োজিত এই অনুষ্ঠানৰ লক্ষ্য আছিল - চাইকেল চলোৱাৰ জৰিয়তে নিজকে স্বাস্থ্য সন্মত কৰি সুস্থ জীৱনশৈলী গঢ়ি তোলা। এই উপলক্ষে চাইকেল ৰেলীৰ উপৰি যোগাসন, জুম্বা আদি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হয়। উদ্বোধনী অনুষ্ঠানত মধ্য গুৱাহাটী সমষ্টিৰ বিধায়ক বিজয় গুপ্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত অৰ্জুন বঁটাপ্ৰাপক খেলুৱৈ নয়নমণি শইকীয়া সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাত যাৱতীয় কাম-কাজ চলি আছে। কামৰূপ জিলাতো লোকপিয়লৰ বাবে ১৩টা এলেকা গঠন কৰি কাম কৰি থকা হৈছে। মুখ্য লোকপিয়ল বিষয়াৰ দায়িত্বত থকা জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কেন্দ্ৰীয়ভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পাছতে ৪৬ গৰাকী জিলা পৰ্যায়ৰ বিষয়াকো প্ৰশিক্ষণ দিয়া হৈছে। জিলাখনত ইয়াৰ উপৰি ৩ হাজাৰ ৪১৮ গৰাকী গণনাকাৰী বিষয়া নিয়োগ কৰা হ'ব। এই বিষয়াসকলক পৰহিলৈৰ পৰা প্ৰশিক্ষণ দিয়া হ'ব।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

তেজপুৰত কালিৰে পৰা অনুষ্ঠিত লিচু উৎসৱৰ আজি সামৰণি পৰিব। কালি এই উৎসৱৰ অংশ হিচাপে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ সাংসদ ৰঞ্জিত দত্তই লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ লগতে স্প্ৰেয়াৰ ক্ৰয়ৰ বাবে কৃষকসকললৈ ৫২ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত উপস্থিত থাকি তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই লিচু উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু আঁচনি গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ অধীনত তেজপুৰৰ ১০ হাজাৰ পৰিয়ালৰ মাজত ২০ হাজাৰ উন্নত জাতৰ লিচু পুলি ৰোপণ কৰা হ'ব বুলি তেওঁ কয়।

তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। কালি উৎসৱ উপলক্ষে ডাক বিভাগৰ অসম চক্ৰৰ মুখ্য ডাকপালে প্ৰকাশ কৰা এটা স্মাৰক ডাক ক'ভাৰ আৰু ড০ ভূপেন শইকীয়াৰ সম্পাদনাত প্ৰকাশিত এখন স্মৰণিকা উন্মোচন কৰা হয়। অনুষ্ঠানত ১০ গৰাকী বচা বচা লিচু উৎপাদকক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰা হয়।

০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যানত আজি দুটাকৈ বিভাগীয় হাতীক ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই অৱসৰ দিয়ে। একে সময়তে আন ৫টা হাতীক উদ্যানখনত নিয়োগ কৰা হয়। উল্লেখযোগ্য যে দীৰ্ঘ বছৰে মানাহৰ অৰণ্যত পেট্ৰ'লিঙৰ লগতে পৰ্যটকৰ বাবে ছাফাৰীকে ধৰি বিভিন্ন দিশত সেৱা আগবঢ়াই অহা দুজনী মাইকী হাতী প্ৰমিলা আৰু পূৰ্ণিমাক বিভাগে আনুষ্ঠানিকভাৱে অৱসৰ দিয়ে। একেদৰে প্ৰশিক্ষণ শেষ হোৱা ৫টাকৈ নতুন হাতীক উদ্যানখনত আজিৰে পৰা নিয়োজিত কৰা হয়। পুৱা মানাহৰ বাঁহবাৰী ৰেঞ্জৰ দ্বিতীয় প্ৰৱেশদ্বাৰত আয়োজিত অনুষ্ঠানৰ যোগেদি হাতীসমূহক পেৰেড ছালামী দি অৱসৰ আৰু অভিবাদন জনোৱা হয়।

০০০০০০

বজালী আৰক্ষীয়ে চাইবাৰ অপৰাধৰ বিৰুদ্ধে চলোৱা এটা অভিযানত বৃহৎ সফলতা লাভ কৰিছে। বজালীৰ উপ-আৰক্ষী অধীক্ষক ভৱৰ্ন নাথৰ নেতৃত্বত সৰুপেটা আৰক্ষীয়ে চলোৱা অভিযানত চাইবাৰ অপৰাধৰ সৈতে জড়িত ৪ জন অভিযুক্তক আটক কৰিবলৈ সমৰ্থ হয়। আটক হোৱা অভিযুক্তকেইজন হৈছে জিতুমণি ৰয়, ৰঞ্জন দাস, আদিত্য তিৱাৰী আৰু ৰাহুল কুমাৰ। বজালীয়ে আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ অহা অনুসৰি অভিযুক্তকেইজন বহিঃৰাজ্যৰ চাইবাৰ অপৰাধী চক্ৰৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা হৈছে। জানিব পৰা মতে গ্ৰাহক সেৱাৰ কেন্দ্ৰৰ জৰিয়তে বিভিন্ন ধৰণৰ চাইবাৰ, জালিয়াতি আৰু অবৈধ লেনদেনৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে অভিযুক্তকেইজনক আটক কৰে।

০০০০০০

চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে চৰকাৰে আবেদনৰ আহ্বান কৰিছে। অহা ৩১ জুলাই আবেদন জমা দিয়াৰ শেষ দিন ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে সাহসিকতা, সমাজসেৱা, পৰিৱেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তিৰ লগতে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা ব্যতিক্ৰমী অৱদানৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা শিশুসকলক এই সন্মানীয় বঁটা প্ৰদান কৰি অহা হৈছে। AWARDS.GOV.INত ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে জনসাধাৰণে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত ৰাজ্য চৰকাৰৰ কমেও ১০০ গৰাকী সচিব তথা জ্যেষ্ঠ বিষয়াৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত বিকশিত অসমৰ বাবে মুখ্যমন্ত্ৰীয়ে ৰূপৰেখা দাঙি ধৰাৰ লগতে বিভিন্ন বিভাগৰ মাজত সহযোগিতা, সমন্বয় আৰু উমৈহতীয়া উদ্দেশ্য লৈ কাম কৰাৰ মনোভাৱ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে বিকশিত অসমৰ গতি অনিৰুদ্ধ কৰি ৰখাৰ লগতে দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ অন্যতম হিচাপে অসমক গঢ়ি তুলিবলৈ সৰ্বতোপ্ৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। এই প্ৰচেষ্টা, সংস্কাৰ আৰু ইতিবাচক ফলাফলে দেশৰ অৰ্থনৈতিক তথা উন্নয়নমুখী যাত্ৰাত অসমৰ ভূমিকা শক্তিশালী কৰিলেহে ৰাজ্যখন নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক নীতিগত দিশ আৰু প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সাহসেৰে সকলো বিষয় নিষ্পত্তি কৰাৰ লগতে প্ৰশাসন ব্যৱস্থা স্বচ্ছ, নিকা আৰু ৰাইজে ঢুকি পোৱা কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০

নিউ চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৬৮ ৰানৰ পৰা আজি ভাৰতৰ প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ হয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ১১০ অভাৰত ৬ টা উইকেট হেৰুৱাই ৪৭৫ ৰান কৰি খেলি আছে। কে এল ৰাহুল ১০০ ৰান আৰু অধিনায়ক শুভমন গিলৰ ১২৬ ৰানৰ জৰিয়তে ভাৰত সম্প্ৰতি শক্তিশালী স্থিতিত আছে। ছাই সুদৰ্শন আৰু ঋষভ পণ্টেও ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়।

০০০০০০

**সমাপ্ত**